**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 4-10-2024
**Time :** 1205 Hrs.

***Assamese Bulletin***
-----------------------------

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটে অসমীয়া, মাৰাঠী, পালী, প্ৰাকৃত আৰু বাংলা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানত অনুমোদন জনাইছে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তক সমূহ অসমবাসীৰ হৈ কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছে।

তেওঁ কয় যে প্ৰাচীন কামৰূপ তথা বৰ অসমৰ সভ্যতা সংস্কৃতিৰ এই শিপাডালে আমাক আজি পুনৰবাৰ সমৃদ্ধ কৰিলে। এই সিদ্ধান্তৰ দ্বাৰা অসমীয়া ভাষাক জগতসভালৈ লৈ যাবলৈ আমি সমৰ্থ হ'ম বুলি তেওঁ সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে তামিল, সংস্কৃত, তেলেগু, কানাড়া, মালায়ালয়ম আৰু ওড়িয়া ধ্ৰুপদী ভাষাৰ তালিকাত সন্নিবিষ্ট আছিল।

অসমীয়া ভাষাত ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ পাছতে অসম গণ পৰিষদে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জনাইছে। অসমীয়া ভাষাক জগতসভালৈ লৈ যোৱাৰ ক্ষেত্ৰত যিসকল মহান মণিষীয়ে অহোপুৰুষাৰ্থ কৰিছিল, তেওঁলোকক অগপৰ সভাপতি অতুল বৰাই সশ্ৰদ্ধ প্ৰণিপাত জনায়। লগতে বৰাই অসমীয়া ভাষাত এই অলংকাৰ পৰিধান কৰাৰ পাছত প্ৰতিজন অসমীয়াৰ দায়িত্ব আৰু দায়বদ্ধতা বাঢ়িল বুলিও উল্লেখ কৰে। জাতি আৰু ভাষাটিৰ উন্নয়নৰ হকে প্ৰতিজন অসমীয়াকে তেওঁ একেলগ হৈ কাম কৰিবলৈ আহ্বান জনায়।

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইমৰাণ শ্বাহে ভাৰত চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াত সন্তুষ্টি প্ৰকাশ কৰিছে। অসমীয়াৰ দায়িত্ব এতিয়া আৰু বাঢ়িল বুলি শ্ৰী শ্বাহে মন্তব্য কৰিছে। অসমীয়া ভাষাটো বহু প্ৰাচীন যদিও ভাষাটোৱে বিভিন্ন সময়ত সংকটৰ সন্মুখীন হৈ আহিছে। এটা সময়ত অসমতে অসমীয়া ভাষাৰ প্ৰচলন বন্ধ হোৱাৰ উপক্ৰম ঘটাৰ বিষয়ে উল্লেখ কৰি শ্ৰী শ্বাহে অসমীয়া জাতিয়ে সকলো সময়তে সজাগ হৈ থাকি নিজৰ ভাষাটোক অসমতে হওক বা আন ৰাজ্যতে মত বিনিময়ৰ ক্ষেত্ৰত প্ৰথমে অসমীয়া ভাষাকে ব্যৱহাৰৰ বাবে পৰামৰ্শ আগবঢ়ায়।

০০০০০০০

প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে আজি আৰু কাইলৈ পৰ্যায়ক্ৰমে ৰাজ্যৰ ২১ খন জিলাত ৩৯ খন সম-জিলা উদ্বোধন কৰা হ'ব। উল্লেখযোগ্য যে ধুবুৰী জিলাৰ বিলাসীপাৰা, গোলকগঞ্জ, বঙাইগাঁৱৰ অভয়াপুৰী, কামৰূপ জিলাৰ ৰঙিয়া , নগাঁও জিলাৰ কলিয়াবৰ আৰু ৰহাক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। একেদৰে বিশ্বনাথৰ গহপুৰ আৰু বিহালী, লখিমপুৰ জিলাৰ ঢকুৱাখনা, ধেমাজিৰ জোনাইক সমজিলা হিচাপে স্বীকৃতি দিয়া হৈছে। আনহাতে, তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা, ডুমডুমা আৰু শদিয়া সম-জিলা হ'ব। এই সন্দৰ্ভত সবিশেষ জনাইছে আমাৰ সংবাদদাতা মনোৰঞ্জন মৰাণে –

(ভইচ কাষ্ট)

ইফালে, শিৱসাগৰৰ নাজিৰা আৰু ডিমৌ, যোৰহাটৰ তিতাবৰ, গোলাঘাট জিলাৰ বোকাখাত, সৰুপথাৰ আৰু দেৰগাঁওক সম-জিলা হিচাপে স্বীকৃতি দিয়া হৈছে। কাছাৰৰ লক্ষীপুৰ, গোৱালপাৰা জিলাৰ পশ্চিম গোৱালপাৰাও সম-জিলা হ'ব। কামৰূপ মেট্ৰ'ৰ দিছপুৰ, নিউ-গুৱাহাটী আৰু ডিমৰীয়াক সম-জিলা হিচাপে ঘোষণা কৰাৰ লগতে দৰং জিলাৰ ছিপাঝাৰ আৰু দলগাঁৱক, মৰিগাঁও জিলাৰ জাগীৰোড আৰু লাহৰীঘাট আৰু হোজাই জিলাৰ লামডিঙক সম-জিলাৰ স্বীকৃতি দিয়া হৈছে। ঢেকীয়াজুলিৰ লগতে জিলাখনৰ ন-দুৱাৰকো সম-জিলাৰ আখ্যা দিয়া হৈছে। আনহাতে, ডিব্ৰুগড় জিলাৰ খোৱাং, দুলীয়াজান আৰু টিংখঙক সম-জিলাৰ স্বীকৃতি দিয়া হৈছে।

চৰাইদেউ জিলাৰ মাহমৰা আৰু কৰিমগঞ্জৰ পাথাৰকান্দি আৰু ৰামকৃষ্ণ নগৰক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। দক্ষতা, নিয়োগ আৰু পৰ্যটন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কৰিমগঞ্জৰ পাথাৰকান্দি আৰু ৰামকৃষ্ণ নগৰত আজি দুখন সম-জিলা উদ্বোধন কৰিব। শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত আজি সম-জিলা আয়ুক্তৰ কাৰ্যালয়ৰ উদ্বোধনী অনুষ্ঠানত নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল উপস্থিত থাকিব।

0000000

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফলো কৰিব পাৰে।

0000000

সমাপ্ত